**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 27-10-2024
**Time :** 17-15 Hrs.

***Assamese Evening Bulletin***

**::::::::::::::::::::::::::::::::::::::::**

গুৱাহাটীৰ লোকসেৱা ভৱনত অনুষ্ঠিত ৰাজ্যিক কেবিনেটৰ বৈঠকত কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়। কেবিনেটে ৰাজ্য চৰকাৰৰ অধীনৰ কৰ্মচাৰীসকলৰ মৰগীয়া বানচ ৩ শতাংশ বৃদ্ধিৰ প্ৰস্তাৱত অনুমোদন জনাইছে। এই সিদ্ধান্ত চলিত বছৰৰ ১ জুলাইৰ পৰা প্ৰযোজ্য হ'ব। অৱশ্যে কৰ্মচাৰীসকলে পহিলা ডিচেম্বৰৰ পৰা বৰ্ধিত হাৰত মৰগীয়া বানচ লাভ কৰিব আৰু বাকী ৪ মাহৰ বাবে কৰ্মচাৰীসকলক ৪ টা কিস্তিত বকেয়া প্ৰদান কৰা হ'ব। ৰাজ্য চৰকাৰে এই বৃদ্ধিৰ বাবে বছৰি অতিৰিক্ত ৮ কোটি ৫০ লাখ টকা ব্যয় কৰিব। কেবিনেটে কমনৱেল্থ গেমছ আৰু অলিম্পিকত দেশক প্ৰতিনিধিত্ব কৰা ৰাজ্যৰ ধনুৰ্বিদ জয়ন্ত তালুকদাৰক উপ আৰক্ষী অধীক্ষক পদত নিযুক্তি দিয়াৰ প্ৰস্তাৱতো অনুমোদন জনাইছে। একেদৰে জীৱন্ত ৰাস উদ্‌যাপন কৰা ধৰ্মীয় অনুষ্ঠানসমূহকো ২৫ হাজাৰ টকাকৈ আৰ্থিক অনুদান প্ৰদান কৰাৰ বাবে মন্ত্ৰীসভাই সিদ্ধান্ত গ্ৰহণ কৰিছে। একেদৰে ৰাজ্যৰ জীৱাশ্ম ইন্ধনৰ পৰিৱৰ্তে গ্ৰীন অইল বা নেপিয়াৰ ঘাহৰ পৰা তেল প্ৰস্তুতৰ সম্ভাৱনীয়তাৰ অধ্যয়নৰ বাবে ৰিলায়েন্স বায়' এনাৰ্জীৰ সৈতে বুজাবুজিৰ চুক্তি স্বাক্ষৰ কৰাৰ প্ৰস্তাৱতো কেবিনেটে অনুমোদন দিছে। কেবিনেটে লগতে চৰকাৰী চিকিৎসালয়ৰ বাবে ঔষধ ক্ৰয়ৰ উদ্দেশ্যে ১৭৫ কোটি টকা আৰু আৰক্ষী বিভাগৰ সামগ্ৰিক উন্নয়নৰ বাবে ৰূপায়ণ কৰি থকা মৈত্ৰী আঁচনিৰ বাবদ ১৫০ কোটি টকা অনুমোদন দিছে। এই আঁচনিখনে ৰাজ্যৰ সকলো চিকিৎসা মহাবিদ্যালয় হাস্পতাল, ৰাজ্যিক কৰ্কট প্ৰতিষ্ঠান, আঞ্চলিক দন্ত মহাবিদ্যালয় আৰু চাহ বাগিছাৰ চিকিৎসালয়ত বিশেষ চিকিৎসাকে ধৰি ৰাজ্যৰ সকলো চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ বিনামূলীয়াকৈ অত্যাবশ্যকীয় ঔষধ, অস্ত্ৰোপচাৰৰ সামগ্ৰী আদিৰ যোগান ধৰিব। ৰাজ্যত চলি থকা বৃহৎ সংখ্যক আন্তঃগাথনি প্ৰকল্প নিয়াৰিকৈ সম্পন্ন কৰিবৰ বাবে আজি কেবিনেটে ৩৬ গৰাকী সহকাৰী অভিযন্তাক পুনৰ নিযুক্তিৰ বাবে অনুমোদন জনাইছে। কেবিনেটে মিছিং স্বায়ত্ত শাসিত পৰিষদৰ অধীনৰ গাঁৱসমূহৰ তালিকা সংশোধন সম্পৰ্কে এখন জাননি জাৰি কৰাৰ প্ৰস্তাৱতো অনুমোদন জনায়। তদুপৰি চাহ বাগিছাৰ কৰ্মচাৰীসকলৰ সামাজিক সুৰক্ষাৰ বাবে আজিৰ কেবিনেটে অসম চাহ খেতি ভৱিষ্যনিধি আৰু পেঞ্চন পুঁজি আঁচনিৰ দুটা দফা সংশোধনীত অনুমোদন জনাইছে। এই সংশোধনীৰ দ্বাৰা ১৫ হাজাৰ টকাৰ অধিক মজুৰি লাভ কৰা কৰ্মচাৰীসকলৰ ভৱিষ্যনিধিৰ ধন কৰ্তনৰ অনুমতি দিয়া হ'ব। ইপিনে, যাতায়াত আৰু জলসিঞ্চনৰ জৰিয়তে গ্ৰামোন্নয়নক উৎসাহিত কৰিবলৈ কেবিনেটে ৰাজ্যখনত ৯৭ টা গ্ৰাম্য পথ আৰু ৭০ টা ক্ষুদ্ৰ জলসিঞ্চন প্ৰকল্প নিৰ্মাণতো অনুমোদন জনাইছে।

০০০

ভাৰতবৰ্ষ এতিয়া বিশ্বৰ সন্মুখত সম্পূৰ্ণ সম্ভাৱনাৰে উদীয়মান তাৰকা সদৃশ আৰু এই সম্ভাৱনা বহন কৰি উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ নতুন প্ৰজন্মই নৱ জাগৰণ সৃষ্টিৰ বাবে আগুৱাই আহিব লাগিব বুলি উপৰাষ্ট্ৰপতি জগদীপ ধনখড়ে প্ৰকাশ কৰিছে। আজি গুৱাহাটীত কৃষ্ণগুৰু আন্তঃৰাষ্ট্ৰীয় আধ্যাত্মিক যুৱ সমাজৰ একবিংশ দ্বিবাৰ্ষিক সমাৱৰ্তনত দিয়া ভাষণত উপৰাষ্ট্ৰপতিগৰাকীয়ে এইকথা প্ৰকাশ কৰে। তেওঁ কয় যে, ভাৰতবৰ্ষ এতিয়া বিভিন্ন সুযোগ সন্ধানৰ ক্ষেত্ৰত অন্যতম কেন্দ্ৰ হিচাপে পৰিগণিত হৈছে আৰু যুৱক-

যুৱতীসকলৰ বাবে চৰকাৰে বিভিন্ন নীতিৰ আধাৰত বিকাশৰ বাবে সুযোগ প্ৰদান কৰিছে। শ্ৰীধনখড়ে কয় যে, ভাৰতবৰ্ষই শীঘ্ৰে জাপান, জাৰ্মানী আৰু অন্য বহু উন্নত ৰাষ্ট্ৰক অতিক্ৰম কৰি তৃতীয় বৃহৎ অৰ্থনীতি হিচাপে পৰিগণিত হ'ব। এই ক্ষেত্ৰত যুৱ প্ৰজন্মই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে বুলি তেওঁ উল্লেখ কৰে।

শ্ৰীধনখড়ে লগতে ভাৰতৰ আধ্যাত্মিক ঐতিহ্যৰ বিষয়ে মন্তব্য কৰি কয় যে ৫ সহস্ৰাধিক বছৰ পুৰণি এই পৰম্পৰাক সৰোগত কৰি দেশখনৰ আধ্যাত্মিক গুৰুসকলে ঐতিহ্যক বহন কৰি আহিছে।

**বাইট**

আজিৰ অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য আৰু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা সন্মানীয় অতিথি হিচাপে উপস্থিত থকাৰ লগতে কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু বি টি চিৰ মুখ্য কাযবাহী সদস্য প্ৰমোদ বড়ো বিশেষ অতিথি হিচাপে উপস্থিত থাকে।

উপ-ৰাষ্ট্ৰপতি শ্ৰীধনখড়ে আজি কইনাধৰাৰ ৰাজ্যিক অতিথিশালাত তেওঁৰ সন্মানাৰ্থে আয়োজন কৰা সাংস্কৃতিক অনুষ্ঠান আৰু নৈশ ভোজমেলতো অংশগ্ৰহণ কৰিব।

০০০

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ তত্বাৱধানত আজি ৰাজ্যৰ চতুৰ্থ বৰ্গৰ মুঠ ৫ হাজাৰ ২৩টা খালী পদৰ বাবে লিখিত পৰীক্ষা অনুষ্ঠিত হয়। পুৱা ৯ বজাৰ পৰা দশম শ্ৰেণী উত্তীৰ্ণ প্ৰাৰ্থীৰ বাবে পৰীক্ষা অনুষ্ঠিত হোৱাৰ লগতে ডেৰ বজাৰ পৰা অষ্টম শ্ৰেণী উত্তীৰ্ণ প্ৰাৰ্থীৰ বাবে এই পৰীক্ষা অনুষ্ঠিত হয়।

ইপিনে এই পৰীক্ষা স্বচ্ছ আৰু নিকাভাৱে অনুষ্ঠিত কৰাৰ লক্ষ্যৰে ৰাজ্যজুৰি পুৱাৰে পৰা বিয়লি ৪ বজালৈ ইণ্টাৰনেট কৰ্তন কৰা হয়।

০০০

ঃঃ সমাপ্ত ঃঃ